# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 13-02-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফ্ৰান্সৰ সফল ভ্ৰমণ সামৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটনত উপস্থিত হৈছে।

২। ভাৰতে সমগ্ৰ বিশ্বৰ বাবে কেৱল ব্যৱসায় আৰু বিনিয়োগৰ সুযোগ কঢ়িয়াই অনাই নহয় বৰং বিশ্ব ঘটনাক্ৰমত নেতৃত্ব আৰু  সমাধান সূত্ৰ আগবঢ়াই আহিছে বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰিছে।

৩। আজি বিশ্ব অনাতাঁৰ দিৱস।

৪। প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ আঁচনিখনে আজি এবছৰ সম্পূৰ্ণ কৰিছে।

*আৰু*

৫। ভাৰতে কালি তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত ইংলেণ্ডক ১৪২ ৰানত পৰাস্ত কৰি ৩-০ ফলাফলেৰে শৃংখলা হস্তগত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফ্ৰান্সৰ সফল ভ্ৰমণ সামৰি আজি নিচেই পুৱা আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটনত উপস্থিত হয়। আমেৰিকাত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় মোহন ক্ৱাট্ৰা আৰু অন্য বিষয়াসকলে প্ৰধানমন্ত্ৰীক বিমান বন্দৰত বিপুলভাৱে আদৰণি জনায়। প্ৰচণ্ড শীতকো নেওচি দেশখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলেও ব্লেয়াৰ হাউচৰ বাহিৰত শ্ৰীমোদীক আদৰণি জনায়। এই ভ্ৰমণ কালত শ্ৰীমোদীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। ডোনাল্ড ট্ৰাম্পে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা পাছত  দেশখনলৈ যোৱা প্ৰধান বিশ্বনেতাসকলৰ ভিতৰত শ্ৰীমোদী অন্যতম। আমেৰিকা ভ্ৰমণলৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয় কয়, যে সহযোগিতা বৃদ্ধি আৰু উভয় দেশৰ মাজৰ অংশীদাৰিত্ব সুদৃঢ় কৰি তোলাৰ বাবে তেওঁৰ প্ৰথম কাৰ্যকালত গ্ৰহণ কৰা কাৰ্যসূচী অনুসৰি এই যাত্ৰা ৰূপায়ণ কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে পেৰিছত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ৰ সৈতে অনুষ্ঠিত দ্বিপাক্ষিক আলোচনাৰ সময়ত ভাৰত আৰু  ফ্ৰান্সৰ মাজত কৌশলগত সহযোগিতাৰ প্ৰতি দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে। আলোচনাকালত দুয়োগৰাকী নেতাই প্ৰতিৰক্ষা, পাৰমাণৱিক শক্তি আৰু মহাকাশৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ সহযোগিতাৰ পৰ্যালোচনা কৰে। তেওঁলোকে অহা বছৰটো ভাৰত ফ্ৰান্স উদ্ভাৱন বৰ্ষ হিচাপে পালন কৰিবলৈ সন্মতি প্ৰকাশ কৰে। নেতা দুগৰাকীয়ে  লগতে প্ৰযুক্তি আৰু বিনিয়োগ সম্পৰ্কৰ বিষয়লৈও আলোচনা কৰে।

এই ভ্ৰমণ কালত প্ৰধানমন্ত্ৰী মোদীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে যুটীয়াভাৱে কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলনত সহ অধ্যক্ষতা কৰে আৰু ভালেমান উচ্চ পৰ্যায়ৰ কাৰ্যসূচীত অংশ লয়।  প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি মাক্ৰৰে

কালি মাৰ্ছেত নতুন ভাৰতীয় বাণিজ্যিক দূতাৱাস যুটীয়াভাৱে মুকলি কৰে। দুয়োগৰাকীয়ে নেতাই মাৰ্ছেত প্ৰতিনিধি পৰ্যায়ৰ আলোচনাতো মিলিত হয়।

এই আলোচনাৰ অন্তত জাৰি কৰা যুটীয়া বিবৃতিত ভৱিষ্যৎ সহযোগিতাৰ ৰূপ-ৰেখা অনুযায়ী পাৰমাণৱিক শক্তি, পৰিৱেশ আৰু সংস্কৃতিসহ বিভিন্ন ক্ষেত্ৰৰ ১০ খন গুৰুত্বপূৰ্ণ চুক্তি হোৱা বুলি প্ৰকাশ কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ৰে শেহতীয়া আলোচনাকালত ইউৰোপ, পশ্চিম এছিয়া আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ভূ-ৰাজনৈতিক ঘটনাক্ৰম সম্পৰ্কে মত বিনিময় কৰা বুলি বৈদেশিক পৰিক্ৰমা সচিব বিক্ৰম মিশ্ৰীয়ে প্ৰকাশ কৰিছে। ফ্ৰান্সৰ মাৰ্চেত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীমিশ্ৰীয়ে কয়, যে নেতা দুগৰাকীয়ে গোলকীয় আৰু আঞ্চলিক গুৰুত্বৰ বিষয়েও আলোচনা কৰে। এই আলোচনাত দুয়ো পক্ষই কৃত্ৰিম বুদ্ধিমত্তাৰ বিষয়ে বিশেষ গুৰুত্ব আৰোপ কৰা বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিবগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

ভাৰতে সমগ্ৰ বিশ্বৰ বাবে কেৱল ব্যৱসায় আৰু বিনিয়োগৰ সুযোগ কঢ়িয়াই অনাই নহয় বৰং বিশ্ব ঘটনাক্ৰমত নেতৃত্ব আৰু সমাধান সূত্ৰ আগবঢ়াই আহিছে বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰিছে। নতুন দিল্লীৰ সংসদীয় ভৱন চৌহদত কালি বিশ্বৰ ১৩ খন দেশৰ আগশাৰীৰ কোম্পানীসমূহৰ ১০০ গৰাকীৰো অধিক মুখ্য কাৰ্যবাহী বিষয়া, স্বত্বাধিকাৰী আৰু প্ৰতিষ্ঠাপকসকলৰ এখন বৈঠকত শ্ৰীবিৰলাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বসুধৈৱ কুটুম্ববক দৃষ্টিভংগীৰে সুশাসন আৰু ৰাজনৈতিক সুস্থিৰতাৰ বাবেই ভাৰত গোলকীয় নেতৃত্বৰ কেন্দ্ৰ বিন্দু হিচাপে বিবেচিত হৈছে। তেওঁ লগতে দেশৰ গতিপথ গঢ় দিয়া আৰু সমৃদ্ধি-অনুকূল পৰিৱেশ সৃষ্টিৰ বাবে ভাৰতৰ গণতান্ত্ৰিক নীতিসমূহৰ তাৎপৰ্য সন্দৰ্ভতো আলোকপাত কৰে। বৈঠকত প্ৰতিনিধিসকলে ভাৰতৰ অৰ্থনৈতিক বিকাশ তথা বিশ্ব প্ৰেক্ষাপটত দেশৰ বৰ্ধিত স্থিতিৰ বিষয় সন্দৰ্ভতো মত বিনিময় কৰে।

০০০০০

আজি বিশ্ব অনাতাঁৰ দিৱস। জনসাধাৰণৰ মাজত অনাতাঁৰৰ বিষয়ে সজাগতা সৃষ্টি আৰু ইয়াৰ মাধ্যমৰে তথ্য আহৰণ কৰিবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে ১৩ ফেব্ৰুৱাৰীত বিশ্ব অনাতাঁৰ দিৱস পালন কৰা হয়। এই দিনটো বিশ্বৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণৰ জীৱন স্পৰ্শ কৰা আৰু এক গোট কৰা অনাতাঁৰৰ অনন্য শক্তিৰ কথা স্মৰণ কৰাৰ এটা উপলক্ষ্য। এইবাৰৰ বিশ্ব অনাতাঁৰ দিৱসৰ মূল বিষয়বস্তু হৈছে ঃ **অনাতাঁৰ আৰু জলবায়ু পৰিৱৰ্তন**।

অনাতাঁৰ দিৱস উপলক্ষে ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংস্থা- ইউনস্কোৰ সঞ্চালকপ্ৰধান উদ্‌ঘে আজুলেই কৈছে যে বিশ্ব অনাতাঁৰ দিৱস যোগাযোগৰ এই স্থায়ী, বহুমুখী আৰু সহজে উপলভ্য মাধ্যম উদযাপনৰ দিন। বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত প্ৰচাৰ ভাৰতীয় অধ্যক্ষ নৱনীত কুমাৰ ছেহগলে কয়, যে বাতৰি আৰু তথ্যৰ প্ৰচাৰেৰে অনাতাঁৰে দেশৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক উন্নয়নত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ কয়, যে বিশ্বৰ সৰ্ববৃহৎ অনাতাঁৰ নেটৱৰ্ক আকাশবাণীয়ে বহুজন হিতায়, বহুজন সুখায় মন্ত্ৰৰে দেশৰ জনসাধাৰণক সামৰি লৈছে। প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে কৈছে যে আকাশবাণীয়ে দেশৰ চহকী সংস্কৃতি আৰু পৰম্পৰাৰ বাহক হিচাপে কাম কৰি অহাৰ লগতে জনসাধাৰণক দেশৰ বৈজ্ঞানিক প্ৰগতি যাত্ৰাৰ সৈতে সংযুক্ত কৰিছে। তেওঁ কয়, যে দৈনন্দিন জীৱনৰ এনে কোনো দিশ নাই যিটো আকাশবাণীয়ে সামৰি লোৱা

নাই। আকাশবাণীৰ সঞ্চালক প্ৰধান ড° প্ৰজ্ঞা পালিৱাল গৌৰে বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে প্ৰায় ৯ দশক ধৰি আকাশবাণীয়ে শ্ৰোতাসকলক তথ্য, শিক্ষা আৰু মনোৰঞ্জন প্ৰদান কৰি আহিছে।

০০০০০

প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ আঁচনিখনে আজি এবছৰ সম্পূৰ্ণ কৰিছে। এই আঁচনিখনৰ অধীনত পৰিয়ালসমূহক ঘৰৰ মুধচ বা চাদত সৌৰ পেনেল স্থাপন কৰি বিনামূলীয়াকৈ বিদ্যুৎ উৎপাদনৰ সুবিধা আগবঢ়োৱা হয়। এই আঁচনিৰ অন্তৰ্গত যোৱা ২৭ জানুৱাৰী পৰ্যন্ত ৮ লাখ ৪০ হাজৰৰো অধিক পৰিয়াল উপকৃত হৈছে। ২০২৪ চনৰ ১৩ ফেব্ৰুৱাৰীত আৰম্ভ কৰা এই উদ্যম, দেশৰ বিভিন্ন প্ৰান্তৰ পৰিয়ালসমূহলৈ নিকা আৰু নবীকৰণ যোগ্য শক্তি যোগানেৰে অধিক বহনক্ষম ভৱিষ্যতৰ দিশে দেশৰ ৰূপান্তৰৰ চালিকাশক্তি ৰূপে পৰিগণিত হৈছে। এই আঁচনিৰ অধীনত ৪০ শতাংশ পৰ্যন্ত ৰাজ সাহায্য প্ৰদান কৰা হয় আৰু ইয়াৰ ফলত নবীকৰণযোগ্য শক্তি অধিক বহনসাধ্য আৰু সুলভ হৈ উঠিছে। বৰ্তমানলৈকে প্ৰায় ৫ লাখ ৫৪ হাজাৰ আৱাসিক উপভোক্তালৈ কেন্দ্ৰীয় বিত্তীয় সাহায্য হিচাপে ৪ হাজাৰ ৩০০ কোটি টকা প্ৰদান কৰা হৈছে। এই পৰিয়ালসমূহৰ প্ৰতিটোৱে গড়ে ৭৭ হাজাৰ টকাৰো অধিক ৰাজ সাহায্য লাভ কৰিছে। ইয়াৰ উপৰি আঁচনিখনৰ সুবিধা গ্ৰহণ কৰা আনুমানিক ৪৫ শতাংশ হিতাধিকাৰীৰ বিদ্যুৎ মাচুল শূন্যলৈ হ্ৰাস পাইছে।

০০০০০

ভাৰতৰ দূৰ সংযোগ নিয়ামক প্ৰাধীকৰণে অবাঞ্চিত ব্যৱসায়িক সংযোগৰ বিৰুদ্ধে গ্ৰাহক সুৰক্ষা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে ২০১৮ চনৰ দূৰসংযোগ ব্যৱসায়িক সংযোগ গ্ৰাহক অগ্ৰাধিকাৰ নিয়মাৱলীৰ সংশোধন ঘটাইছে। যোগাযোগ মন্ত্ৰ্যালয়ে এখন বিজ্ঞপ্তিত এইবুলি কৈছে যে- গ্ৰাহকৰ বাবে অধিক স্বচ্ছ ব্যৱসায়িক সংযোগ পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ উদ্দেশ্যেই নিয়মাৱলীসমূহৰ সংশোধন ঘটোৱা হৈছে। অংশীদাৰসকলৰ পৰা লাভ কৰা বিভিন্ন দিহা-পৰামৰ্শ তথা এই সন্দৰ্ভত হোৱা ব্যাপক আলোচনাৰ অন্তত এই সংশোধনী কৰা হৈছে।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ কালি অনুষ্ঠিত তৃতীয় তথা অন্তিমখন খেলত ভাৰতে আলহী দলটোক ১৪২ ৰানত পৰাজিত কৰি ৩-০ ফলাফলেৰে শৃংখলা হস্তগত কৰিছে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩৫৬ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ শুভমন গীলে সৰ্বাধিক ১১২ ৰাণৰ অৱদান আগবঢ়ায়। শ্ৰেয়াছ আয়াৰে ৭৮ আৰু বিৰাট কোহলীয়ে ৫২ ৰাণ কৰে। ইংলেণ্ডৰ হৈ আদিল ৰাছিদে ৪ টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ইংলেণ্ডে ৩৪ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২১৪ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত কালি পুৰুষৰ জেভলিন থ্ৰ'ত উত্তৰ প্ৰদেশৰ শচীন যাদৱে ৮৪ দশমিক ৩-৯ মিটাৰলৈ যাঠী দলিয়াই ১০ বছৰীয়া অভিলেখ ভংগ কৰি স্বৰ্ণ পদক হস্তগত কৰে। একেদৰে উত্তৰাখণ্ডৰ অংকিতা ধ্যানীয়ে সুন্দৰ প্ৰদৰ্শনৰ ধাৰা অব্যাহত ৰাখি কালি মহিলাৰ ৫০০০ মিটাৰ দৌৰত সোণৰ পদক অৰ্জন কৰে।

ছাৰ্ভিছেজে জলক্ৰীড়াত নিজৰ আধিপত্য অক্ষুন্ন ৰাখি পুৰুষৰ কায়াকীৰ কে-টু শাখাৰ ৫০০ মিটাৰ আৰু কেনয়িঙৰ চি-টু শাখাৰ ৫০০ মিটাৰ উভয়তে সোণৰ পদক অৰ্জন কৰে। এথলেটিক্সত হাৰিয়ানাৰ পূজাই মহিলাৰ

হাই জাম্পত ১ দশমিক ৮-৪ মিটাৰলৈ  জঁপিয়াই স্বপ্না বৰ্মনৰ ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰে। এই শিতানত খেলুৱৈগৰাকীয়ে সোণৰ পদক অৰ্জন কৰে।

ooooo

**সমাপ্ত**